# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 14-02-2026 **Time :** 1100 Hrs.

0000000000

এদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কিছু সময় পূৰ্বে ডিব্ৰুগড় জিলাৰ মৰাণত উপস্থিত হৈছে। শ্ৰীমোদীয়ে চাবুৱাৰ এয়াৰ ফিল্ডত প্ৰথমে অৱতৰণ কৰে আৰু তাৰ পৰা ডিব্ৰুগড়-মৰাণ সংযোগী চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত বিশেষভাৱে বিকশাই তোলা ই এল এফ অৰ্থাৎ জৰুৰীকালীন উৰণ-অৱতৰণ ক্ষেত্ৰত অৱতৰণ কৰে। প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে এই অত্যাধুনিক জৰুৰীকালীন অৱতৰণক্ষেত্ৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ-পূবৰ এই প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰৰ পৰা প্ৰধানমন্ত্ৰীয়ে যুদ্ধ বিমান, পৰিবহণ বিমান আৰু হেলিকপ্তাৰৰ এয়াৰ শ্ব' উপভোগ কৰিব। এই অনুষ্ঠান উপভোগৰ বাবে ডিব্ৰুগড় আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ কণ-কণ ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি বয়োবৃদ্ধলৈকে বহু সংখ্যক লোকে ভিৰ কৰিছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছে। অনুষ্ঠানৰ পূৰ্বে মন্ত্ৰী যোগেন মহনে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আজিৰ দিনটো অসমবাসীৰ বাবে এটা ঐতিহাসিক দিন বুলি উল্লেখ কৰে।

**বাইট (যোগেন মহন)**

মৰাণৰ অনুষ্ঠান সামৰি প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীলৈ আহিব। শ্ৰীমোদীয়ে গুৱাহাটীত ৫ হাজাৰ ৪৫০ কোটি টকাৰো অধিক ধন ব্যয়সাপেক্ষ ভালেমান প্ৰকল্প উদ্বোধন কৰিব। তেওঁ ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখন নিৰ্মাণ কৰি উলিওৱা হৈছে। এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। লাচিত ঘাটত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ডং শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকিব। এই অনুষ্ঠানৰ পৰাই প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব। তেওঁ লগতে পি এম ই-বাছ সেৱাৰ অধীনত ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে আমিনগাঁৱত এটা ৰাষ্ট্ৰীয় তথ্য কেন্দ্ৰ মুকলি কৰিব। উত্তৰ-পূৰ্বাঞ্চলৰ ই-প্ৰশাসন প্ৰকল্পসমূহৰ দ্ৰুত ৰূপায়ণৰ হকে ৩৮৪ কোটি টকা ব্যয় সাপেক্ষে এই কেন্দ্ৰটো নিৰ্মাণ কৰি উলিওৱা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত আজি গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত বিজেপিৰ দলীয় কৰ্মীসকলৰ 'বুথ বিজয় সংকল্প সভা' অনুষ্ঠিত হ'ব। এই সভাত

দলটোৰ ৮৬ হাজাৰ কৰ্মকৰ্তাই নিৰ্বাচনত জয়ৰ সংকল্প ল'ব বুলি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই প্ৰকাশ কৰিছে। নিৰ্বাচনৰ প্ৰাকক্ষণত এই সংকল্প সভাত প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহণে দলীয় কৰ্মকৰ্তাসকলক নতুন উদ্যম যোগাব বুলি সভাপতিগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

অসম বিধানসভাৰ বাজেট অধিবেশন অহা ১৬ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব। ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া বাজেট অধিবেশন ১৯ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। অধিবেশনৰ দ্বিতীয় দিনা বিধানসভাত ২০২৬-২৭ বৰ্ষৰ অন্তৰ্বৰ্তী লেখানুদান বাজেট উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তী মন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰী দিয়া হ'ব। অহা মে'ত নতুন চৰকাৰে শপত লোৱাৰ পাছত পৰৱৰ্তী বাজেট দাখিল কৰা হ'ব। ১৭ ফেব্ৰুৱাৰীত লেখানুদান দাখিলৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

০০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ মৰিগাঁও, নগাঁও আৰু হোজাই জিলাৰ মুঠ ৭ হাজাৰ ৯৬৪ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে নগাঁৰৰ নেহৰুবালীত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্ত, পীযূষ হাজৰিকা আৰু কৃষ্ণেন্দু পালে অংশগ্ৰহণ কৰিব। কাইলৈ মৰিগাঁও জিলাৰ এহেজাৰ ৯৪৪ গৰাকী, নগাঁও জিলাৰ ৪ হাজাৰ ১৯৬ গৰাকী আৰু হোজাৰ জিলাৰ এহেজাৰ ৮২৪ গৰাকী সম্ভাব্য উদ্যোগীৰ মাজত ধনৰাশি বিতৰণ কৰা হ'ব। এই আঁচনিৰ অধীনত সাধাৰণ শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ ২ লাখ টকাকৈ আৰু বৃত্তিগত শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ ৫ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত শ্ৰীলংকাৰ কলম্বোৰ ভাৰতীয় উচ্চায়োগত থকা স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপক ড° অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

**সমাপ্ত**